৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ই পৃথিৱীৰ বায়ুমণ্ডলৰ ট্রপ'স্ফিয়েৰ আৰু মেছ'স্ফিয়েৰ মাজত থকা এটা স্তৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ অ'জন স্তৰটো ১৯১৩ চনত ফৰাছী পদার্থ বিজ্ঞানী চার্লচ ফেব্রি আৰু হেন্‌ৰি বুইছনে আৱিস্কাৰ কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ই সূর্য বিকিৰিত ৰশ্মিক পৰিশোধন কৰি অদৰকাৰী অতি বেঙুনীয়া ৰশ্মিক শোষণ কৰে আৰু পৃথিৱীৰ কাৰণে প্রয়োজনীয় ৰশ্মিসমূহক পৃথিৱীৰ উপৰিভাগলৈ সোমাবলৈ দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ এই স্তৰটোৱে সূর্যৰ বিকিৰনৰ পৰা অহা ৯৭ ৰ পৰা ৯৯ শতাংশ মধ্যম তৰংগৰ অতি বেঙুনীয়া ৰশ্মিক শোষন কৰি পৃথিৱীৰ উপৰিভাগ পোৱাত বাধা প্রদান কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ অ'জনৰ অৱক্ষয়ৰ বাবে দায়ী মুখ্য প্রদূষকবোৰ হ'ল-- ক্লৰ'ৰফ্লু'ৰ কার্বন (CFCs), নাইট্রু'জেন অক্সাইড (NO_x) আৰু হাইড্রু'কার্বন। অ'জন অৱক্ষয় মানৰ সৃষ্টি এক মুখ্য পৰিৱেশৰ সমস্যা আৰু এই প্রদূষকবোৰ সৃষ্টি কৰাৰ বাবে মানুহেই দায়ী। জেট ইঞ্জিন, মটৰ গাড়ী, নাইট্রু'জেন যুক্ত সাৰ আৰু আন, ঔদ্যোগিক কার্যৱলীয়েই CFCs আৰু NO_x ৰ নির্গমনৰ বাবে দায়ী। এইবোৰে অ'জনত ফুটাৰ সৃষ্টি কৰে আৰু এনেদৰে ইয়াৰ অৱক্ষয় ঘটায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ এই বোৰৰ ভিতৰত গুৰুত্বপূর্ণ হৈছে ভিয়েনা সম্মিলিন ১৯৮৫, মনট্রিল প্রট'কল ১৯৯৭, হেলচিন্‌কি সম্মিলন ১৯৮৯ ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ সেউজ গৃহ গেছসমূহ হ'ল - জলীয় বাষ্প, কার্বন-ডাই-অক্সাইড, মিথেন, নাইট্রজেন-অক্সাইড, অ'জন আৰু কিছুমান কৃত্রিম ৰাসায়নিক পদার্থ যেনে ক্লৰ'ৰফ্লু'ৰ' কার্বন।

৮ নং প্রশ্নৰ উত্তৰ ঃ মৰুভূমি অঞ্চলত বছৰত যথেষ্ট বৰষুণৰ হোৱা অঞ্চলতকৈ শুকান আৰু সিক্ত এচিড বৰষুণৰ অনুপাত যথেষ্ট বেছি।



৮.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অ'জন স্তৰৰ ধাৰণা বৰ্ণনা কৰক

প্ৰশ্ন ২ ঃ সেউজ গৃহ প্ৰভাৱ বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ এচিড বৰষুণৰ কুপ্ৰভাৱৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ এচিড বৰষুণৰ প্ৰকাৰৰসমূহ আলোচনা কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ এচিড বৰষুণৰ কুপ্ৰভাৱসমূহ আতৰাবলৈ কিছুমান প্ৰতিকাৰমূলক ব্যৱস্থাৰ পৰামৰ্শ দিয়ক।

প্ৰশ্ন ২ ঃ কেনেকৈ সেউজ গৃহ প্ৰভাৱ গোলকীয় উষ্ণতা বৃদ্ধিৰ লগত সম্পৰ্কযুক্ত বৰ্ণনা কৰক?

*** ***** ***